ৰাজনীতি

''মোদী চৰকাৰৰ পতন ঘটিলেই অপকৰ্ম আৰু দুৰ্নীতিৰ বাবে হিমন্ত বিশ্ব শৰ্মা জেললৈ যোৱাতো খাটাং'': গৌৰৱ গগৈ

কেন্দ্ৰত কংগ্ৰেছ চৰকাৰ অহাৰ সম্ভাৱনাক লৈ মুখ্যমন্ত্ৰী শংকিত বুলি দাবী গৌৰৱ গগৈৰ। বিদ্যুতৰ মাচুল বৃদ্ধি আৰু আদানি পাৱাৰৰ সৈতে ৩,২০০ মেগাৱাট বিদ্যুৎ ক্ৰয় চুক্তিক লৈও চৰকাৰক সমালোচনা কৰে তেওঁ।

প্ৰকাশ: ৪ নৱেম্বৰ ২০২৬, নিশা ৯:১১



SOCIAL MEDIA

গুৱাহাটী, ৪ নৱেম্বৰঃ কেন্দ্ৰত কংগ্ৰেছ চৰকাৰ গঠন হোৱাৰ সম্ভাৱনাক লৈ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা শংকিত হৈ পৰিছে বুলি মন্তব্য কৰিছে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি তথা লোকসভাৰ বিৰোধী দলৰ উপ-দলপতি গৌৰৱ গগৈয়ে। এক্সত প্ৰকাশ কৰা এটা পোষ্টত গগৈয়ে দাবী কৰে যে কেন্দ্ৰত কংগ্ৰেছ পুনৰ ক্ষমতালৈ আহিলে মুখ্যমন্ত্ৰীৰ অপকৰ্ম আৰু দুৰ্নীতিৰ তথ্য পোহৰলৈ আহিব আৰু তেওঁ কাৰাগাৰলৈ যাবলগীয়া হ'ব।

গগৈয়ে লিখিছে যে কেন্দ্ৰত কংগ্ৰেছ চৰকাৰ অহাৰ কথা ভাবিয়েই মুখ্যমন্ত্ৰীৰ নিদ্ৰাহৰণ হৈছে। তেওঁৰ অভিযোগ,

© 2026 NewzNow

বিগত সময়ছোৱাত মুখ্যমন্ত্রীয়ে গাপ দি ৰখা অপৰাধ আৰু দুর্নীতিৰ তথ্য অতি সোনকালে ৰাইজৰ সন্মুখত প্রকাশ পাব।

ইফালে, ৰাজ্যত শেহতীয়াকৈ বৃদ্ধি কৰা বিদ্যুতৰ মাচুলক লৈও চৰকাৰক তীব্র সমালোচনা কৰে কংগ্রেছ সভাপতিগৰাকীয়ে। বিদ্যুতৰ মাচুল বৃদ্ধিক মুখ্যমন্ত্রীৰ ‘দীপাৱলীৰ উপহাৰ’ বুলি কটাক্ষ কৰি তেওঁ কয় যে উৎসৱৰ প্রাকক্ষণত চৰকাৰে পুনৰ বিদ্যুৎ গ্রাহকৰ ওপৰত অতিৰিক্ত আর্থিক বোজা জাপি দিছে।

গগৈৰ মতে, অসম শক্তি বিতৰণ কোম্পানী লিমিটেডে (APDCL) বিগত সময়ছোৱাত জমা হোৱা ১৫৫.৫৯ কোটি টকাৰ বিদ্যুৎ ক্রয় ব্যয় পৰৱর্তী পাঁচ মাহত গ্রাহকৰ পৰা আদায় কৰাৰ অনুমতি লাভ কৰিছে। এই ধন শেষত সাধাৰণ গ্রাহকৰ পৰাই সংগ্রহ কৰা হ’ব বুলি তেওঁ অভিযোগ কৰে।

চৰকাৰৰ বিত্তীয় অগ্রাধিকাৰক লৈও প্রশ্ন উত্থাপন কৰে সাংসদগৰাকীয়ে। তেওঁৰ অভিযোগ, নির্বাচনী প্রতিশ্রুতি আৰু হিতাধিকাৰী আঁচনিৰ বাবে চৰকাৰে হাজাৰ হাজাৰ কোটি টকা ব্যয় কৰিলেও ৰাজহুৱা বিত্তীয় ব্যৱস্থাপনাৰ বোজা সাধাৰণ জনতাৰ ওপৰত জাপি দিয়া হৈছে।

আনহাতে, ৰাজ্যৰ ঋণৰ পৰিমাণ বৃদ্ধি পাই থকাৰ সময়তে আদানি পাৱাৰৰ সৈতে ৩,২০০ মেগাৱাট বিদ্যুৎ ক্রয়ৰ চুক্তি কৰাৰ বিষয়টোও উত্থাপন কৰে গগৈয়ে। তেওঁৰ দাবী, চুক্তিখনত অতিৰিক্ত বিদ্যুৎ উৎপাদনৰ ফলত APDCLৰ সম্ভাৱ্য লোকচানৰ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা আছে।

‘দ্য ৰিপ’টাৰ্ছ কালেক্টিভ’ৰ এক অনুসন্ধানমূলক প্রতিবেদনৰ উদ্ধৃতি দি গগৈয়ে কয় যে এই চুক্তিৰ ফলত পাঁচ বছৰত ৰাজ্যৰ ৰাজকোষৰ সম্ভাৱ্য ব্যয় ১২,৫৬৬ কোটি টকালৈ বৃদ্ধি পাব পাৰে বুলি অনুমান কৰা হৈছে।

বিনামূলীয়া আঁচনিৰ প্রতিশ্রুতি দি নির্বাচনত জয়ী হোৱাৰ পিছত সেই আঁচনিসমূহৰ আর্থিক বোজা জনসাধাৰণৰ ওপৰত জাপি দিয়া আৰু বৃহৎ কর্প’ৰেট গোষ্ঠীৰ স্বার্থ সুৰক্ষিত কৰাই চৰকাৰৰ অগ্রাধিকাৰ বুলি অভিযোগ কৰে গগৈয়ে। মুখ্যমন্ত্রীয়ে প্রচাৰ কৰি থকা উন্নয়নৰ আর্হি সন্দর্ভতো তেওঁ প্রশ্ন উত্থাপন কৰে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/748/gaurav-gogoi-himanta-sarma-electricity-tariff-adani-power-deal